ৰামধেনু আলোচনীকেন্দ্ৰিক অসমীয়া চুটিগল্পৰ পাছৰ, অৰ্থাৎ কুৰি শতিকাৰ শেষৰ দশক তিনিটাক সাম্প্ৰতিক যুগ বুলি ক'ব পাৰি। "আৱাহন আৰু ৰামধেনু যুগৰ দৰে এই যুগটোৰ সাহিত্যৰ গতি পৰিবৰ্তনত বিশেষ অৰিহণা যোগাইছিল ভাৰতীয় ৰাজনীতিৰ ব্যক্তিকেন্দ্ৰিক ভোগবাদৰ চৰিত্ৰই।" ভাৰতীয় ৰাজনীতিকৰ অদূৰদৰ্শিতাৰ বাবেই পূৰ্বৰ পূব-পাকিস্তান বা বাংলাদেশৰ স্বাধীনতা আন্দোলনত অসম, পশ্চিমবঙ্গ তথা উত্তৰ-পূব ভাৰতৰ অন্যান্য ৰাজ্যই সহযোগিতা আগবঢ়োৱাৰ বাবে বিভিন্ন সমস্যাৰ সন্মুখীন হ'বলগীয়া হ'ল। ফলস্বৰূপে অসমত অৰ্থনৈতিক অৱক্ষয়, সাংস্কৃতিক ভাবুকি, জাতীয় অস্তিত্ব ৰক্ষাৰ আন্দোলন, জৰুৰীকালীন অৱস্থা ঘোষণা আদি সংকটাপন্ন অৱস্থাৰ সৃষ্টি হ'ল। অসমৰ জাতীয় জীৱনক অস্থিৰ কৰি তোলা ৰাজনৈতিক অৱস্থাৰ স্বৰূপে কুৰি শতিকাৰ শেষৰ দশক তিনিটাত হতাশাগ্ৰস্ততাই অসমীয়া লেখকসকলক সমাজ ৰাজনৈতিক দৃষ্টিভংগীৰে গল্প সৃষ্টি কৰিবলৈ অৰিহণা যোগালে। ১৯৭০ চনৰ পিছত এনে ৰাজনৈতিক অস্থিৰতা, অৰ্থনৈতিক দুৰৱস্থা, বিভিন্ন শোষক শ্ৰেণীৰ শোষণৰ ফলত গঢ় লৈ উঠা প্ৰতিবাদী বিপ্লৱী চেতনাৰ ফলতে অসমীয়া চুটিগল্প সাহিত্যতো এক নতুন ধাৰাৰ উন্মেষ ঘটে।

সাম্প্ৰতিক যুগত, অৰ্থাৎ কুৰি শতিকাৰ শেষৰ তিনিটা দশকত ভালেসংখ্যক গল্পকাৰৰ আবিৰ্ভাৱ হয়। এওঁলোকৰ দুই এজনে ৰামধেনু যুগতে আত্মপ্ৰকাশ কৰি গল্পৰ ধাৰা সাম্প্ৰতিকলৈ প্ৰবাহিত কৰে। মনকৰিবলগীয়া বা উল্লেখনীয় যে গল্পৰ বিষয়-বস্তু, ভাব-বস্তু আৰু ৰূপ-বস্তুৰ বৈশিষ্ট্যৰ ফালৰ পৰা এই যুগৰ অৰুণ গোস্বামী, দেবব্ৰত দাস, অৰূপা পটংগীয়া কলিতা, মনোৰমা দাস মেধি, উদয়াদিত্য ভৰালী, পূৰবী তামুলী, মনোজ কুমাৰ গোস্বামী, ইমৰাণ হুছেইন, অনিল শইকীয়া, কমলা বৰগোহাঁই, পুলিন শইকীয়া, অখিল চক্ৰৱৰ্তী, পৰাগ কুমাৰ ভট্টাচাৰ্য, মৌচুমী কন্দলী আদি গল্পকাৰসকলৰ গল্পত এটা নতুন ধাৰাৰ সৃষ্টি হয়। সামাজিক দায়বদ্ধতা এই যুগৰ গল্পকাৰসকলৰ এটি মন কৰিবলগীয়া বিশেষত্ব। ভাব-বস্তু, বিষয়-বস্তু, ৰূপ-বস্তু আৰু কলা-কৌশলৰ বিভিন্ন দিশৰ পৰা এই যুগৰ চুটিগল্প ক্ৰমে পৰম্পৰাগত ৰামধেনু যুগৰ ধাৰাটোৰ পৰা আঁতৰি আহিছে আৰু ন-ন কৌশলৰ প্ৰয়োগ ঘটিছে। এনে নতুন শৈলীৰে ৰচিত গল্পসম্ভাৰে অসমীয়া চুটিগল্পৰ ইতিহাসত এক নতুন যুগৰ সূচনা কৰিলে, যাক সাম্প্ৰতিক যুগ নামেৰে অভিহিত কৰা হ'ল।

এইদৰে অসমীয়া চুটিগল্পৰ ক্ৰমবিৱৰ্তনৰ ধাৰাটোৱে জোনাকী, আৱাহন, ৰামধেনু আৰু সাম্প্ৰতিকলৈ বিভিন্ন গল্পকাৰৰ যোগেদি নতুন ভাৱ আৰু বৈশিষ্ট্যৰে পৰিপুষ্ট হৈ প্ৰবাহিত হৈ

আহিছে। এইখিনিতে উল্লেখনীয় যে, ইয়াৰ পৰৱৰ্তী কালত অসমীয়া আলোচনীৰ ক্ষেত্ৰখনত বিশেষভাৱে অৰিহণা যোগোৱা 'প্ৰান্তিক', 'গৰীয়সী', 'সাতসৰী' আদিৰ পাতত প্ৰকাশিত গল্প আৰু আলোচনীনিৰ্ভৰ নোহোৱাকৈ নিজ নিজ গল্পসংকলনেৰে অসমীয়া চুটিগল্প সাহিত্যৰ ক্ৰমবিকাশত বহুতো গল্পকাৰে যথেষ্ট অৱদান আগবঢ়াই আছে। বিভিন্ন খ্যাত-অখ্যাত আলোচনী, বাতৰি-কাকত আদিত নতুন প্ৰজন্মৰ প্ৰতিশ্ৰুতিসম্পন্ন ভালেসংখ্যক গল্পকাৰৰ আৱিৰ্ভাৱ হৈছে। নতুন বিষয়-বস্তু, কলা-কৌশল আদিৰে পৰীক্ষামূলকভাৱেও ভালেসংখ্যক চুটিগল্পৰ জন্ম দিছে, পঢ়ুৱৈসকলৰো দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। ইয়ে অসমীয়া চুটিগল্পৰ বৈচিত্ৰ্য তথা ভৱিষ্যতক সমৃদ্ধ কৰাৰ ইঙ্গিত বহন কৰি আহিছে।